মুখ্যমন্ত্রী সাহায্য পুঁজিলৈ লাহৰীঘাটৰ জাবেদ আলী মৰলৰ পৰিয়ালৰ ১ লাখ টকাৰ অনুদান

আৰক্ষীৰ জিম্মাত অসুস্থ হৈ মৃত্যু হোৱা ৰুহুল আমিনৰ পৰিয়ালৰ বাবে উচিত ন্যায় বিচাৰি স্মাৰক পত্ৰও দাখিল



দৈনন্দিন বার্তাৰ সেৱা, ভূ�ৱাগাঁও, ২১ আগষ্ট ঃ ৰাজ্যখনৰ ভয়াৱহ বান পৰিস্থিতি আৰু অন্যান্য আপদকালীন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে আগবাঢ়ি আহিল মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বিশিষ্ট জনপ্রিয় ব্যক্তি জাবেদ আলী মৰলৰ পৰিয়াল। বিগত ১৬ আগষ্টত জাবেদ আলী মৰল আৰু তেওঁৰ পৰিয়ালৰ সদস্য বৃন্দই অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ সৈতে উজনি অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ ওপৰত এক বিশেষ বৈঠকত মিলিত হৈ এক গুৰুত্বপূর্ণ আলোচনাত অংশগ্রহণ কৰে। এই সাক্ষাৎ কাৰৰ সময়তে জাবেদ আলী মৰল, তেওঁৰ সহধর্মিণী তছলিমা বেগম, জীয়েক জেনিফাৰ হেদলীন, পুত্র ফাহাদ হুছেইন বাবুৰ তৰফৰ পৰা মুখ্যমন্ত্রী সাহায্য পুঁজিলৈ ১ লাখ টকাৰ এককালীন সাহায্যৰ এখন চেক প্রদান কৰে। জাবেদ আলী মৰলৰ পৰিয়ালৰ এনে এক মহান পদক্ষেপত মুখ্যমন্ত্রীগৰাকীয়ে বিশেষভাৱে শলাগ লোৱাৰ উপৰিও ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে একেই সাক্ষাৎ কাৰত সদ্যহতে লাহৰীঘাট আৰক্ষীৰ জিম্মাত অসুস্থ হৈ মৃত্যু হোৱা লাহৰিঘাটৰ উদীয়মান যুৱনেতা ৰুহুল আমিনৰ পৰিয়ালৰ উচিত ন্যায় বিচাৰি এখন স্মাৰক পত্রও দাখিল কৰে মুখ্যমন্ত্রী আৰু ডিজিবিগৰাকীলৈ।

যোৰহাটৰ শ্ৰৱণী সত্ৰৰ সত্রাধিকাৰ বসন্ত মহন্তৰ দেহাৱসান

দৈনন্দিন বার্তাৰ সেৱা, পশ্চিম যোৰহাট, ২১ আগষ্ট ঃ যোৰহাট পশ্চিম অঞ্চলৰ চাৰিঙীয়া গাঁওস্থিত শ্ৰৱণী সত্ৰৰ সত্রাধিকাৰ বসন্ত মহন্ত (৬৭)-ই ২১ আগষ্টত দিনৰ ১১.১০ বজাত নিজৰ বাসগৃহতে শেষ নিঃশ্বাস ত্যাগ কৰে। অসম চৰকাৰৰ জলসিঞ্চন বিভাগত চাকৰি কৰি অৱসৰগ্রহণ কৰাৰ পাছত অঞ্চলটোৰ বহুগৰাকীৰ গৃহৰ উপৰি ধর্মানুষ্ঠানসমূহত মহন্তই নামাচার্যৰূপে অংশগ্রহণ কৰিছিল। শয্যাগত হৈ থকাৰ সময়তে অসম সাহিত্য সভাৰ হৈ পশ্চিম যোৰহাট শাখা সাহিত্য সভাৰ বিষয়ৱবীয়াসকলে তেওঁক ২০২৫ চনৰ পহিলা ব'হাগত ওলগনি-পত্র প্রদান কৰিছিল। পত্নী, দুই পুত্র-বোৱাৰী, নাতিসহ আত্মীয়সকলক এৰি থৈ যোৱা মহন্তৰ অন্ত্যেষ্টিক্রিয়া নিজা ভূমিত শিষ্য-প্রশিষ্য আৰু স্থানীয় লোকসকলে সমাপন কৰে।

কাজিৰঙাত অখিল গগৈৰ সংবাদমেল

ইক' ছেনছিটিভ জ'নৰ সঠিক ধাৰণা বুজি নোপোৱাৰ বাবে বেমেজালিৰ সৃষ্টি কৰিছে



দৈনন্দিন বার্তাৰ সেৱা, কাজিৰঙা, ২১ আগষ্ট ঃ কাজিৰঙাত একাংশ ৰাইজে অখিল গগৈ মুর্দাবাদ ধ্বনি দি তীব্র আন্দোলন কৰাৰ পাছত কাজিৰঙা ইক' ছেনছিটিভ জ'ন হ্রাস কৰি কার্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ সৈতে মিলি মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ দক্ষিণ দিশে থকা পাহাৰ এটা এটাকৈ ধ্বংস কৰাৰ পৰিকল্পনা কৰিছেবুলি ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে সাংবাদিকক জানিবলৈ দিয়ে। কাজিৰঙাত একাংশ ৰাইজে অসম প্রদেশ কংগ্রেছ কমিটীৰ সভাপতি গৌৰব গগৈৰ লগতে অখিল গগৈ মুর্দাবাদ ধ্বনি দি তীব্র আন্দোলন কৰাৰ পাছত কালি নিশা কাজিৰঙা জাতীয় অর্কিড আৰু জৈব-বৈচিত্র্য উদ্যানত এক সংবাদমেলত বিধায়ক অখিল গগৈয়ে বাজ্যখনৰ মুখ্যমন্ত্রীক তীব্র ভাষাৰে সমালোচনা কৰি কয়, ৰাজ্যৰ শিৰসাগৰ, চৰাইদেউ আৰু যোৰহাট এই তিনি জিলাত হোৱা বানপানীৰ মহাপ্রলয় বিষয়টো আন দিশে নিবঁলৈহে অর্থাৎ বিষয়ৰস্তু চাকিবলৈ এনে সময়ত মুখ্যমন্ত্রীয়ে কাজিৰঙাৰ ইক' ছেনছিটিভ জ'নৰ কথা উলিয়াই বিতর্ক সৃষ্টি কৰাৰ চেষ্টা কৰিছে। মুখ্যমন্ত্রীৰ এটাই উদ্দেশ্য- বিতর্ক বেলেগ হ'ব লাগে আৰু প্রকৃতিপ্রেমীৰ সৈতে সংঘাত লগাব লাগে। সংবাদমেলত অখিল গগৈয়ে আৰু জানিবলৈ দিয়া মতে, ইক' ছেনছিটিভ জ'নৰ সঠিক ধাৰণা জনসাধাৰণৰ মাজত নোহোৱাৰ বাবেই বেমেজালিৰ সৃষ্টি কৰিছে। যি সকলে ইক' ছেনছিটিভ জ'ন বিষয়ে জানে, তেওঁলোকৰ কাৰণে এইটো বিতর্কৰ বিষয় নহয়। অকণমান সচেতনতাবে যদি মুখ্যমন্ত্রীৰ বক্তব্য শুনে তেন্তে সকলো কথা বুজিব পাৰিব। অখিল গগৈয়ে কয়, ইক' ছেনছিটিভ জ'নক লৈ উন্নয়নৰ কামত কোনো বাধা নাই বুলি মুখ্যমন্ত্রীয়ে কৈছে। অখিল গগৈয়ে কয়, যিসকলে কাজিৰঙাত ইক' ছেনছিটিভ জ'নৰ দুৰত্ব হ্রাস কৰাক লৈ বিৰাট উৎসাহিত হৈছে তেখেতসকলক এটা কথা জনাব বিচাৰোঁ যে ইক' ছেনছিটিভ জ'ন থাকিলেও ঘৰ, পর্যটন নিৰাস আদি নির্মাণ কৰিব পাৰিব। এই এলেকাত অর্থনৈতিক উন্নয়নৰ কার্যকলাপ কৰিব পাৰিব। কেবল খনন, বৃহৎ প্রদূষণ হোৱা উদ্যোগ আদি কার্য চলোৱাত বাধা আহিব। অখিল গগৈয়ে কয়, মুখ্যমন্ত্রীৰ মতে পূর্বে বন্ধ হৈ থকা খনন আকৌ খুলি দিব। কোনো মানুহে কাজিৰঙাত কয়লা আৰু শিল খনন কৰিবলৈ দিব নেকি বুলিও অখিল গগৈয়ে প্রশ্ন কৰে। পূর্বে কাজিৰঙাৰ দক্ষিণত সাংঘাতিক ধৰণে মাটি আৰু শিল খনন চলি আছিল। এইবোৰ বন্ধ হ'ল। কিন্তু এতিয়া আকৌ সেই ধৰণৰ কাম চলোৱাৰ কথা মুখ্যমন্ত্রীৰ বক্তব্যত প্রকাশ পাইছে। কাজিৰঙাৰ স্থানীয় লোকৰ স্বার্থ অর্থাৎ সুৰক্ষা, অধিকাৰ আদিৰ খাতিৰত দীর্ঘদিন পৰা সংগ্রামত লাগি আছিলোঁ। গতিকে কাজিৰঙাৰ স্থানীয় মানুহৰ আবেগ বুজি পাওঁ। কিন্তু এইটো নহয় যে কার্বি পাহাৰত গছ কাটি জীয়াই থকিব লাগিব। এইটো নহয় যে অনা অসমীয়াৰ শিলভঙা মেচিন বহুবাই শিল খনন। আকৌ আৰম্ভ কৰি দিম। মূল বেপাৰ কৰিব অনা অসমীয়াই আৰু আমাৰ ল'ৰাবোৰে এনেইবদনাম ল'ব বুলি বিধায়ক অখিল গগৈয়ে মত ব্যক্ত কৰে। মুখ্যমন্ত্রীয়ে নদী খান্দিবলৈ ইক' ছেনছিটিভ জ'ন হ্রাস কৰাত উঠি-পৰি লাগিছে। কাজিৰঙাক সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে আমি খনন বন্ধ কৰিব লাগিব, তেতিয়াহে কাজিৰঙা ৰাষ্ট্রীয় উদ্যান সুৰক্ষিত হৈ থাকিব। এই কথা কাজিৰঙাৰ ৰাইজে বুজি পোৱাটো দৰকাৰ। কাজিৰঙাক বচাব পাৰিলেহে ইয়াৰ মানুহে জীৱিকা উলিয়াব পাৰিব বুলিও মত প্রকাশ কৰে অখিল গগৈয়ে। ইফালে, ভাৰতত উচ্চতম ন্যায়ালয়ৰ নির্দেশনা মতে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ সীমাৰ পৰা ১০ কিল মিটাৰ ব্যাসার্ধলৈকে ইক' ছেনছিটিভ জ'ন বাহাল ৰখাৰ ক্ষেত্রত বাজ্য তথা দেশৰ একাংশই সমর্থন জনোৱাৰ বিপৰীতে কাজিৰঙা আৰু কার্বি আংলং জিলাত বসবাস কৰা একাংশ লোকে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই ঘোষণা কৰা ১০ কিল মিটাৰ পৰা হ্রাস কৰি এক কিল মিটাৰ দূৰত্বলৈকে ইক' ছেনছিটিভ জ'ন হোৱাৰ কথাত সমর্থন জনাই আহিছে। ইফালে, প্রায় এঘাৰ বছৰ পূর্বে সদৌ অসম ছাত্র সন্থাৰ পৰা আৰম্ভ কৰি একাধিক দল- সংগঠনে কাজিৰঙাৰ পৰা ইক' ছেনছিটিভ জ'ন পৰিহাৰ কৰাৰ বাবে তীব্র আন্দোলন কৰাৰ পাছত এতিয়া আকৌ একেই সংগঠনে প্রকৃতি সুৰক্ষাৰ স্বার্থত ১০ কিল মিটাৰ পৰিসৰলৈকে ইক' ছেনছিটিভ জ'ন বাহাল ৰখাৰ সমর্থন জনোৱাত ৰাইজ ভীষণ বিৰুদ্ধিত পৰিছে। একাংশ ৰাইজে এতিয়া কাক বিশ্বাসত ল'ব বুলিও প্রশ্ন উত্থাপন কৰিছে।

বৰাক ভেলী চিমেণ্টছ লিমিটেড
চিআইএন ঃ L01403AS1999PLC005741
পঞ্জীভুক্ত কার্যালয় ঃ দেৰেন্দ্র নগৰ, ঝুমবস্তি, ডাকঘৰ - বদৰপুৰঘাট, জিলা- কৰিমগঞ্জ, অসম - ৭৮৮৮০৩
কর্পৰেট কার্যালয় ঃ ইউনিট নং ডিএইএম ৪৫০-৪৫১-৪৫২, ডিএলএফ টাৱাৰ্ছ, ১৫, শিৰাজী মার্গ, মতি নগৰ, নতুন দিল্লী - ১১০০১৫
ই-মেইল ঃ cs@barakcement.com, ৰেবছাইট ঃ www.barakcement.com
ফোন ঃ ০৩৮৪৩-২৬৯৪৩৫, ২৬৯৮৮১
২৭তম বার্ষিক সাধাৰণ সভাৰ জাননী
শ্রদ্ধাৰ সদস্যসকল,
ইয়াৰ দ্বাৰা জাননী প্রদান কৰা হৈছে যে কোম্পানীজ এক্ট, ২০১৩ আৰু ইয়াৰ অধীনত প্রণয়ন কৰা নিয়মসমূহ তথা ছেবি (তালিকাভুক্তকৰণৰ বাধ্যবাধকতা আৰু প্রকাশৰ প্রয়োজনীয়তা) ৰেগুলেচন্ছ, ২০১৫-ৰ সকলো প্রযোজ্য ব্যৱস্থা অনুসৰি আৰু এমচিএ-ৰ চাৰ্কুলাৰ নং ১৪/২০২০ (তাৰিখ ০৮ এপ্রিল, ২০২০), ১৭/২০২০ (তাৰিখ ১৩ এপ্রিল, ২০২০), ২০/২০২০ (তাৰিখ ৫ মে', ২০২০), ০২/২০২১ (তাৰিখ ১৩ জানুৱাৰী, ২০২১), ২১/২০২১ (তাৰিখ ১৪ ডিচেম্বৰ, ২০২১), ২/২০২২ (তাৰিখ ৫ মে', ২০২২) আৰু ৯/২০২৩ (তাৰিখ ২৫ ছেপ্টেম্বৰ, ২০২৩), ১৯ ছেপ্টেম্বৰ ২০২৪ তথা ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ বর্ড অব্ ইণ্ডিয়া (ছেবি) দ্বাৰা জাৰী কৰা যথাক্রমে ১২ মে' ২০২০, ১৯ জানুৱাৰী ২০২১, ১৩ মে' ২০২২, ০৫ জানুৱাৰী ২০২৩, ০৭ অক্টোবৰ ২০২৩, ০৩ অক্টোবৰ ২০২৪ আৰু ০৫ জুন ২০২৫ তাৰিখৰ চাৰ্কুলাৰ, কোম্পানীজ এক্ট, ২০১৩-ৰ অন্যান্য প্রযোজ্য ব্যৱস্থা আৰু ইয়াৰ অধীনস্থ নিয়মসমূহ অনুসৰণ কৰি ২৭তম বার্ষিক সাধাৰণ সভাৰ জাননীত উল্লেখ থকা কার্যাবলী সম্পন্ন কৰিবলৈ বৰাক ভেলী চিমেণ্টছ লিমিটেডৰ ২৭তম এজিএম অহা ২৯ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে, মঙ্গলবাৰে বিয়লি ০৩:০০ বজাত ভিডিঅ'-কনফাৰেন্সিং (ভিচি)/অন্যান্য দৃশ্য-শ্রাব্য মাধ্যমৰ জৰিয়তে অনুষ্ঠিত হ'ব।
সভাৰ জাননীখন কোম্পানীৰ ৰেবছাইট অর্থাৎ www.barakcement.com আৰু বিএছই তথা এনএছই-ৰ ৰেবছাইট অর্থাৎ www.bseindia.com আৰু www.nseindia.com-ত উপলব্ধ হ'ব।
২০২৫-২৬ বিত্তীয় বর্ষৰ বার্ষিক প্রতিবেদন ২৭তম এজিএম-ৰ জাননীৰ সৈতে সেইসকল সদস্যলৈ ইলেক্ট্রনিক মাধ্যমেৰে প্রেৰণ কৰা হ'ব যাৰ ই-মেইল ঠিকনা উপলব্ধ আছে। যিসকল সদস্যৰ ই-মেইল ঠিকনা কোম্পানীৰ ওচৰত পঞ্জীভুক্ত হৈ থকা নাই, তেওঁলোকক তলত দিয়া প্রক্রিয়া অনুসৰি কাৰ্য তেলে কৰিবলৈ অনুৰোধ জনোৱা হ'লঃ
- যদি শ্বেয়াৰসমূহ ভৌতিক ৰূপত থাকে, তেন্তে অনুগ্রহ কৰি ফলিঅ' নং, শ্বেয়াৰধাৰকৰ নাম, সঠিকভাৱে পূৰণ কৰা ফর্ম আইএছআৰ১, শ্বেয়াৰ চার্টিফিকেটৰ স্কেন কৰা প্রতিলিপি (আগফাল আৰু পিছফাল), পেন (স্ব-প্রত্যায়িত স্কেন কৰা প্রতিলিপি), আধাৰ (স্ব-প্রত্যায়িত স্কেন কৰা প্রতিলিপি) cs@barakcement.com-লৈ ই-মেইলযোগে প্রেৰণ কৰক।
- যদি শ্বেয়াৰসমূহ ডীমেট ৰূপত থাকে, তেন্তে আপোনাৰ ই-মেইল ঠিকনা নবীকৰণৰ বাবে অনুগ্রহ কৰি আপোনাৰ নিজা ডিপোজিটৰী অংশগ্রহণকাৰীসকলৰ সৈতে যোগাযোগ কৰক।
ই-মেইল ঠিকনা সফলতাবে পঞ্জীয়ন হোৱাৰ পিছত, সদস্যজনে কোম্পানীৰ ই-মেইল ঠিকনা অর্থাৎ cs@barakcement.com-লৈ এনুৱাই জনাই জাননীৰ ছফ্ট কপি, বার্ষিক প্রতিবেদন আৰু এই সভাৰ বাবে ই-ভোটিঙৰ সুবিধা লাভ কৰিবলৈ বাধ্যতামূলক।
ই-ভোটিঙৰ সুবিধা ঃ বার্ষিক সাধাৰণ সভাৰ জাননীত নির্ধাৰিত প্রস্তাৱসমূহৰ ওপৰত বার্ষিক সাধাৰণ সভাৰ পূর্বেই ইলেক্ট্রনিকভাৱে নিজৰ ভোটদান কৰিবলৈ সকলো সদস্যক এনএছডিএল-ৰ বিমোট ই-ভোটিং সুবিধা ("বিমোট ই-ভোটিং") প্রদান কৰি কোম্পানী আনন্দিত হৈছে। ইয়াৰ উপৰিও, সভাৰ চলনকালীন সময়তে কোম্পানীয়ে বিমোট ই-ভোটিং ব্যৱস্থাৰ জৰিয়তে ভোটদানৰ সুবিধা প্রদান কৰিব। বিমোট ই-ভোটিং ২৬ ছেপ্টেম্বৰ ২০২৬ (শনিবাৰ) পুৱা ০৯:০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু ২৮ ছেপ্টেম্বৰ ২০২৬ (সোমবাৰ) বিয়লি ০৫:০০ বজাত সমাপ্ত হ'ব।
বিমোট ই-ভোটিঙৰ জৰিয়তে অথবা বার্ষিক সাধাৰণ সভা চলাকালীন ই-ভোটিঙৰ জৰিয়তে ভোটদানৰ যোগ্যতা নির্ণয়ৰ কাট-অফ তাৰিখ হ'ল ২২ ছেপ্টেম্বৰ ২০২৬ (মঙ্গলবাৰ)।
কেৱল কাট-অফ তাৰিখ অনুসৰি ডিপিসকলৰ দ্বাৰা সংৰক্ষিত সদস্যসকলৰ পঞ্জীত বা হিতাধিকাৰী স্বত্বাধিকাৰীসকলৰ পঞ্জীত যাৰ নাম লিপিবদ্ধ থাকিব, সেই ব্যক্তিজনেহে বিমোট ই-ভোটিং অথবা বার্ষিক সাধাৰণ সভা চলাকালীন ই-ভোটিঙৰ সুবিধা লাভৰ যোগ্য হ'ব। বিমোট ই-ভোটিং আৰু এজিএমৰ সময়ত ই-ভোটিঙৰ জৰিয়তে ভোটদান কৰাৰ নিয়ম ঃ
ক) বার্ষিক সাধাৰণ সভাৰ জাননীত বিতংভাবে উল্লেখ কৰা প্রক্রিয়া অনুসৰি সদস্যসকলে বিমোট ই-ভোটিং ব্যৱস্থা আৰু এজিএম চলনকালীন ই-ভোটিঙৰ জৰিয়তে বার্ষিক সাধাৰণ সভাৰ জাননীত সন্নিবিষ্ট কার্যাবলীৰ ওপৰত নিজৰ ভোটদান কৰাৰ সুযোগ পাব।
খ) ওপৰত উল্লিখিত নিয়মেৰে সদস্যসকলে নিজৰ ই-মেইল ঠিকনা সফলতাবে পঞ্জীয়ন কৰাৰ পিছত বিমোট ই-ভোটিং আৰু এজিএমৰ সময়ত ই-ভোটিঙৰ জৰিয়তে ভোটদানৰ লগতে বিকল্প ব্যৱস্থা হিচাপে ভিডিঅ' কনফাৰেন্স/অ'এডিএম সুবিধাৰ মাধ্যমেৰে বার্ষিক সাধাৰণ সভাত অংশগ্রহণ কৰিব পাৰিব যদিও সভা চলি থকাৰ সময়ত ই-ভোটিং ব্যৱস্থাৰ জৰিয়তে পুনৰ ভোটদান কৰাৰ অধিকাৰ নাথাকিব। ইলেক্ট্রনিক মাধ্যমেৰে ভোটদানৰ সুবিধা সম্পর্কীয় ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে দায়বদ্ধ ব্যক্তিজনৰ সবিশেষ বার্ষিক সাধাৰণ সভাৰ জাননীত উল্লেখ কৰা হৈছে।
বৰাক ভেলী চিমেণ্টছ লিমিটেডৰ হৈ
স্বাক্ষৰিত/-
স্থান- দিল্লী (কামাখ্যা চমৰিয়া)
তাৰিখ- ২১.০৮.২০২৬ **উপাধ্যক্ষ তথা পৰিচালন সঞ্চালক**

HOMI BHABHA CENTRE FOR SCIENCE EDUCATION
TATA INSTITUTE OF FUNDAMENTAL RESEARCH

National Olympiad Programme 2026-2027
in Astronomy, Biology, Chemistry, Physics, Junior Science

All students wishing to participate in the programme must appear in corresponding **National Standard Examinations (NSEs)** (for science subjects) on **November 21 and 22, 2026**, conducted by **the Indian Association of Physics Teachers (IAPT).**

Qualification in NSE is the first step towards participation in the corresponding **International Olympiads of 2027.**

To enroll:
NSEs: https://www.iapt.org.in (Aug 21 - Sep 14, 2026)

For more details: https://olympiads.hbcse.tifr.res.in
https://www.iapt.org.in

cbc48143/11/0005/2627

যুকো বেঁংক UCO BANK
(भारत सरकार का उपक्रम) (A Govt. of India Undertaking)

ই-নিলাম বিক্রী জাননী
(এছএআৰএফএইএছআই আইন ২০০২ৰ অধীনত)

মাণ্ডলিক কার্যালয়, যোৰহাট- ৭৮৫০০১ (অসম)

বিত্তীয় সম্পদৰ প্রতিভূতিকৰণ আৰু পুনর্নির্মাণ আৰু প্রতিভূতি স্বার্থৰ কার্যকৰীকৰণ আইন, ২০০২ (এছএআৰএফএইএছআই আইন) লগতে প্রতিভূতি স্বার্থৰ (কার্যকৰীকৰণ নিয়ম , ২০০২)ৰ নিয়ম ৫, ৬, ৭, ৮ আৰু ৯ পঢ়ি তাৰ অধীনত বেংকত বন্ধকত ৰখা স্থাৰৰ সম্পত্তিৰ নিলাম বিক্রী।
বিত্তীয় সম্পদৰ প্রতিভূতিকৰণ আৰু পুনর্নির্মাণ আৰু প্রতিভূতি স্বার্থৰ কার্যকৰীকৰণ আইন, ২০০২ৰ অনুচ্ছেদ ১৩(২)ৰ অধীনত ইউকো বেংকৰ কর্তৃত্বশীল বিষয়াৰ দ্বাৰা নিম্নলিখিত ঋণীৰ একাউণ্টৰ বিপৰীতে "য'ত যেনেকৈ আছে" আৰু "যি অৱস্থাত আছে" তেনে ভিত্তিত বিক্রী কৰি বেংকে পাবলগীয়া ঋণৰাশি আদায়ৰ অধিকাৰ সহ জাননী জাৰি কৰি নিম্নলিখিত সম্পত্তি দখল কৰিছে।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ

ক্রঃ নং	একাউণ্ট নং, ঋণী আৰু গেৰাণ্টৰৰ নাম আৰু ঠিকনা	স্থাৱৰ সম্পত্তি /এলেকাৰ বিৱৰণ	ক) দাবী জাননীৰ তাৰিখত দেয় ধনৰ পৰিমাণ খ) দাবী জাননীৰ তাৰিখ গ) প্রতিকী দখলৰ তাৰিখ	ক) সংৰক্ষিত মূল্য খ) আমানত ধন জমা (টকা) গ) সম্পত্তিৰ পৰিদর্শনৰ তাৰিখ আৰু সময়	ই-নিলামৰ তাৰিখ আৰু সময়
১.	**শাখা ঃ** ডিব্রুগড় (০১৮৩) **একাউণ্ট নং ঃ** ০১৮৩০৫১০০০০৪২৭ আৰু ০১৮৩০৬১০০০৭২৮০ **ঋণী: মেচার্চ জিতু ফেব্রিকেচন** স্বত্বাধিকাৰী:- শ্রী জিতু আহমেদ ওৰফে মঃ তৌফিজুদ্দিন আহমেদ, ঠিকনা: গাঁও- ঢেকেৰিগাঁও (মছজিদ, পুব বানিপুৰ হস্পিতালৰ ওচৰত), ডাকঘৰ আৰু থানা- ডিব্রুগড়, মৌজা- মানকোটা খনিকৰ, জিলা- ডিব্রুগড়, অসম- ৭৮৬০০৩	গাঁও- ঢেকেৰিগাঁও (মছজিদ, পুব বানিপুৰ হস্পিতালৰ ওচৰত), ডাকঘৰ আৰু থানা- ডিব্রুগড়, মৌজা- মানকোটা খনিকৰ, ৰাজহ চক্র- ডিব্রুগড় পশ্চিম, জিলা- ডিব্রুগড়, অসম- ৭৮৬০০৩-ত অৱস্থিত দাগ নং ৭০ আৰু পট্টা নং ৪৭-ৰ অধীনৰ ০০কে-১০এল (১৪৪০ বর্গফুট) পৰিমাপৰ এখন ভূমিৰ এবিয়া। সম্পত্তি **প্রয়াত মুহিবুদ্দিন আহমেদৰ পুত্র মঃ তৌফিজুদ্দিন আহমেদৰ** নামত আছে। **চাৰিসীমা:- উত্তৰে:** মছজিদ, **দক্ষিণে:** পথ, **পূবে:** শ্রী ফুকনৰ ভূমি, **পশ্চিমে:** মেৰাজুল হুছেইনৰ ভূমি।	ক) ৫,৮৭,৯৮২.০০ টকা ৩১.০৫.২০১৭ তাৰিখ মতে লগতে প্রযোজ্য প্রয়োগ নকৰা সুত, অন্যান্য খৰচ। খ) ২০/০৬/২০১৭ গ) ০৫/১১/২০২১	ক) ৬.৪৫ লাখ টকা খ) ০.৬৪৫ লাখ টকা গ) ১০-০৯-২০২৬ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ	**১১-০৯-২০২৬** দিনৰ ১১.০০ বজাৰ পৰা আবেলি ০৫.০০ বজালৈ প্রত্যেক ১০ মিনিটৰ সীমাহীন সম্প্রসাৰণৰ সৈতে
২.	**শাখা ঃ** মিছন চাৰআলি (৩১১৭) **একাউণ্ট নং ঃ** ৩১১৭০৫১০০০০৩৯৭, ৩১১৭০৬১০০০২০৯৪, ৩১১৭০৬১০০০৩৭৫৬ **ঋণী(সকল) ঃ মেচার্চ বি বি চি কনষ্ট্রাকচন,** স্বত্বাধিকাৰী- শ্রী ভৰত চন্দ্র বড়ো, পিতা- তনু ৰাম বড়ো, ঠিকনা: গাঁও- কছাৰীগাঁও, ৰার্ড নং ৩, ডাকঘৰ- তেজপুৰ, জিলা- শোণিতপুৰ, অসম, পিন- ৭৮৪০০১ **শ্রীমতী পার্বতী বড়ো,** স্বামী- শ্রী ভৰত চন্দ্র বড়ো (জামিনদাৰ), ঠিকনাঃ গাঁও- কছাৰীগাঁও, ৰার্ড নং ৩, ডাকঘৰ- তেজপুৰ, জিলা- শোণিতপুৰ, অসম, পিন- ৭৮৪০০১	**তনু ৰাম বড়োৰ পুত্র শ্রী ভৰত চন্দ্র বড়োৰ** নামত তেজপুৰ টাউন ২য় খণ্ড, মৌজা মহাভৈৰৱ, ৰাজহ চক্র তেজপুৰ, জিলা: শোণিতপুৰ, অসমত অৱস্থিত দাগ নং ১৭৭১ আৰু পট্টা নং ১০১৮-ৰ অধীনৰ ০০বি ০১কে ০০এল পৰিমাপৰ মাটিৰ ইএমটিডি। **চাৰিসীমা :- উত্তৰে:** জিন্টু দৈমাৰী, **দক্ষিণে:** মুনিয়া ঘোষ, **পূবে:** মথুৰা মোহন শর্মা, **পশ্চিমে:** এ এছ টি চি ভূমি আৰু পথ।	ক) ২৯,৬১,০৫১.০০ টকা ২৭.০২.২০২৪ তাৰিখলৈ গণনা কৰা হৈছে আৰু লগতে প্রয়োগ নকৰা সুত, চার্জ, ব্যয় আৰু খৰচ আদি। খ) ১৭-০৫-২০২৪ গ) ০৭-০৮-২০২৪	ক) ৫০.০০ লাখ টকা খ) ৫.০০ লাখ টকা গ) ১০-০৯-২০২৬ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ	**১১-০৯-২০২৬** দিনৰ ১১.০০ বজাৰ পৰা আবেলি ০৫.০০ বজালৈ প্রত্যেক ১০ মিনিটৰ সীমাহীন সম্প্রসাৰণৰ সৈতে
৩.	**শাখা ঃ** গৰুবন্ধা (১২৫৬) **একাউণ্ট নং ঃ** ১২৫৬০৬১০০০৮২৪৯ **ঋণী: মঃ চিৰাজ শ্বেখ,** পিতা- প্রয়াত মুছেন শ্বেখ **স্বত্বাধিকাৰী: শ্রীমতী ৰচিদা বেগম,** স্বামী- মঃ চিৰাজ শ্বেখ **ঠিকনাঃ** গাঁও- পাতিদৈ ভেৰেলা, ডাকঘৰ- গৰুবন্ধা, থানা: মিছামাৰী, মৌজা: মিছামাৰী, জিলা- শোণিতপুৰ, পিন- ৭৮৪৫০৬, অসম।	গাঁও- পাতিদৈ ভেৰেলা, ডাকঘৰ- গোৰুবন্ধা, থানা- মিছামাৰী, মৌজা: মিছামাৰী, জিলা- শোণিতপুৰ, অসমত অৱস্থিত দাগ নং ৪০০ আৰু পট্টা নং ২০৪-ৰ অধীনৰ ০১কে-০৫এল পৰিমাপৰ এখন ভূমিৰ এবিয়াৰ সৈতে তাত থকা এখন আৰচিচি বিল্ডিং। সম্পত্তি **প্রয়াত মুছেন শ্বেখৰ পুত্র মঃ চিৰাজ শ্বেখৰ** নামত আছে। **চাৰিসীমা:- উত্তৰে:** প্রয়াত আমজাত খাৰ প্লট, **দক্ষিণে:** পথ, **পূবে:** মজিবুৰ শ্বেখ, **পশ্চিমে:** বহিম শ্বেখ।	ক) ৬,১৭,৯৬৮.৪৪ টকা ২৯.০১.২০২৫ তাৰিখৰ মতে লগতে প্রযোজ্য আনুসৰি তাৰ ওপৰত প্রয়োগ নকৰা সুত, চার্জেছ আৰু অন্যান্য খৰচ। খ) ০৩/০৫/২০২৫ গ) ০৮/০৭/২০২৫	ক) ৩২.৬৪ লাখ টকা খ) ৩.২৬৪ লাখ টকা গ) ১০-০৯-২০২৬ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ	**১১-০৯-২০২৬** দিনৰ ১১.০০ বজাৰ পৰা আবেলি ০৫.০০ বজালৈ প্রত্যেক ১০ মিনিটৰ সীমাহীন সম্প্রসাৰণৰ সৈতে
৪.	**শাখা ঃ** উত্তৰ লখিমপুৰ (১০৪৯) **একাউণ্ট নং ঃ** ১০৪৯০৬১০০০৩৮৬২ **ঋণী : শ্রী দিপাংকৰ দাস,** পিতা- যুগনন্দ দাস **জামিনদাৰ : শ্রীমতী জাহ্নবী দাস,** স্বামী- শ্রী দিপাংকৰ দাস **ঠিকনা :** মৌজা নকাৰীৰ অধীনৰ গাঁও- নিজ চিনাতলিয়া, ডাকঘৰ আৰু থানা : উত্তৰ লখিমপুৰ, জিলা- লখিমপুৰ, অসম- ৭৮৭০০১	মৌজা নকাৰীৰ অধীনৰ গাঁও- নিজ চিনাতলিয়া, ডাকঘৰ আৰু থানা: উত্তৰ লখিমপুৰ; জিলা- লখিমপুৰ, অসমত অৱস্থিত দাগ নং ৬১৪ আৰু পট্টা নং ৩৪৮-ৰ অধীনৰ ০১কে-০৫এল পৰিমাপৰ ভূমিৰ লগতে তাৰ ওপৰত এখন আৰচিচি বিল্ডিংৰ এবিয়া। সম্পত্তিটো **দিপাংকৰ দাসৰ** নামত আছে। **সম্পত্তিৰ চাৰিসীমা ঃ- উত্তৰে:** পথ, **দক্ষিণে:** মুকুল দত্তৰ ভূমি, **পূবে:** দিপালী বৰা শইকীয়াৰ ভূমি, **পশ্চিমে:** অৰবিন্দ শইকীয়াৰ ভূমি।	ক) ৩৩,৫৮,৪৯৪.৭৬ টকা লগতে সুত আৰু অন্যান্য চার্জেছ। খ) ১২/০৯/২০২৫ গ) ১৯/১২/২০২৫	ক) ৩৯.০০ লাখ টকা খ) ৩.৯০ লাখ টকা গ) ১০-০৯-২০২৬ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ	**১১-০৯-২০২৬** দিনৰ ১১.০০ বজাৰ পৰা আবেলি ০৫.০০ বজালৈ প্রত্যেক ১০ মিনিটৰ সীমাহীন সম্প্র